# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-08-2024 **Time :** 0900 Hrs

## *Assamese Morning Bulletin*
## HEADLINES

১। অসম বিধানসভাৰ শৰৎকালীন অধিৱেশনৰ কালি প্ৰথমদিনা ১০ খন বিধেয়ক উত্থাপন। আদিবাসী আৰু চাহ জনগোষ্ঠীৰ সৰ্বাংগীন সংস্থাপনৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কেতবোৰ গুৰুত্বপূৰ্ণ ঘোষণা।

২। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কাছাৰ জিলাৰ লক্ষীপুৰৰ শিলঘাটত বৰাক নৈৰ ওপৰত প্ৰস্তাৱিত দলঙৰ আধাৰশিলা স্থাপন।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দিনজোৰা কাৰ্যসূচীৰে আজি ইউক্ৰেইন ভ্ৰমণ।

৪। দেশৰ ভিন ভিন ঠাইৰ লগতে ৰাজ্যতো আজি প্ৰথম ৰাষ্ট্ৰীয় মহাকাশ দিৱস পালন।

*আৰু*

৫। পেৰিছ অলিম্পিকত ৰূপৰ পদক বিজেতা নীৰজ চোপ্ৰাৰ চুইজাৰলেণ্ডত অনুষ্ঠিত লুজান ডায়মণ্ড লীগ প্ৰতিযোগীতাৰ পুৰুষৰ জেভলীন থ্ৰোত দ্বিতীয় স্থান দখল।

০০০০০০০

অসম বিধানসভাৰ শৰৎকালীন অধিবেশনৰ কালি প্ৰথম দিনা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হৈ সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী পীযুষ হাজৰিকাই দি আছাম শ্বিডিউল কাষ্ট এণ্ড শ্বিডিউল ট্ৰাইবছ্ (ৰিজাৰ্ভেচন অফ ভেকেন্সিছ্ ইন ছাৰ্ভিচেছ্ এণ্ড পোষ্ট) সংশোধন বিধেয়ক, ২০২৪ সদনৰ অনুমতি সাপেক্ষে উত্থাপন কৰে। সদনত কালি মুঠ ১০খন বিধেয়ক উত্থাপন কৰা হয়। মন্ত্ৰী শ্ৰীহাজৰিকাই মুখ্যমন্ত্ৰীৰ হৈ সদনৰ অনুমতি সাপেক্ষে অসম চৰকাৰী ভাষা সংশোধন বিধেয়ক, ২০২৪খনো উত্থাপন কৰে। ৰাজহ মন্ত্ৰী যোগেন মহনে তিনিখন বিধেয়ক উত্থাপন কৰে। ইয়াৰে অসম ভূমি-ৰাজহ নিয়ন্ত্ৰণ সংশোধন বিধেয়কখন উত্থাপন কৰাৰ সময়ত সদন উত্তাল হৈ পৰে। বিৰোধী দল বিশেষকৈ এ আই ইউ ডি এফৰ বিধায়কসকলে বিধেয়কখন উত্থাপনত সদনে অনুমতি দিয়া নাই বুলি অধ্যক্ষক স্পষ্ট কৰি দিয়ে। অধ্যক্ষই কয় যে বিধেয়ক উত্থাপন হ'লেও পাৰিত হোৱাৰ ক্ষেত্ৰত সুকীয়াকৈ বিৰোধিতা কৰাৰ প্ৰস্তাৱ দিব লাগিব। পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী অতুল বৰাই দ্য আছাম ভেটেৰিনেৰী এণ্ড ফিচাৰী ইউনিভাৰ্চিটী বিল ২০২৪ আৰু মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ হৈ মন্ত্ৰী পীযুষ হাজৰিকাই দা আছাম স্কীল ইউনিভাৰ্চিটী এমেণ্ডমেণ্ট বিল সদনত উত্থাপন কৰে। আনহাতে, সামাজিত ন্যায় আৰু সবলীকৰণ বিভাগৰ দায়িত্বপ্ৰাপ্ত মন্ত্ৰী পীযুষ হাজৰিকাই মৰাণ আৰু মটক স্বায়ত্ত শাসিত পৰিষদ সম্পৰ্কীয় দুখন সুকীয়া বিধেয়ক উত্থাপন কৰে। গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহলে দা আছাম আৰবান ৱাটাৰ ব'ডিজ (প্ৰিভেনচন এণ্ড কনজাৰভেচন) বিল উত্থাপন কৰে। সেইদৰে বিত্তমন্ত্ৰী অজন্তা নেওগে ২০২৪-২৫ বৰ্ষৰ পৰিপূৰক দাবী মঞ্জুৰিসমূহ সদনত দাখিল কৰে। ২৮ আগষ্টত পৰিপূৰক মঞ্জুৰিৰ বাবে দাবীসমূহৰ ওপৰত আলোচনা আৰু ভোটদান হ'ব। উল্লেখযোগ্য যে অধিবেশনৰ কাম-কাজ পুনৰ অহা ২৭ আগষ্টৰ পৰা অনুষ্ঠিত হ'ব। সেইদিনা সংকল্প প্ৰস্তাৱ আৰু আন কেইবাখনো বিধেয়ক উত্থাপনৰ সম্ভাৱনা আছে। ৩০ আগষ্টলৈ এই অধিবেশন চলিব।

আনহাতে, ৰাইজৰ দলৰ বিধায়ক অখিল গগৈ, এ আই ইউ ডি এফৰ বিধায়ক আমিনুল ইছলাম (জ্যেষ্ঠ) আৰু কংগ্ৰেছৰ দেৱব্ৰত শইকীয়াই সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰে। অখিল গগৈয়ে শিৱসাগৰত এগৰাকী যুৱতীক অপদস্থ কৰা, আমিনুল ইছলামে ভূমি ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে কৰা বক্তব্য আৰু দেৱব্ৰত শইকীয়াই স্মাৰ্ট বৈদ্যুতিক

মিটাৰ সন্দৰ্ভত সভাস্থগিতৰ প্ৰস্তাৱ তোলে যদিও অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে এই তিনিওটা প্ৰস্তাৱ নাকচ কৰে। ইয়াকে লৈ কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ বিধায়কসকলে প্লেকাৰ্ড লৈ অধ্যক্ষৰ সন্মুখত ধৰ্ণা দি বিধানসভা ত্যাগ কৰে।

ইয়াৰ মাজতে আদিবাসী আৰু চাহ জনগোষ্ঠীৰ সৰ্বাংগীন সংস্থাপনৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কেতবোৰ গুৰুত্বপূৰ্ণ ঘোষণা কৰে। প্ৰশ্নোত্তৰ কালেৰে আৰম্ভ হোৱা অধিবেশনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই চৰকাৰে সকলো ধৰণৰ চাকৰিত এতিয়াৰেপৰা চাহ জনগোষ্ঠীৰ বাবে ৩ শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰাৰ বিষয়ে ঘোষণা কৰে। চাহ-বাগিচা অঞ্চলৰ বাট-পথৰ উন্নয়নৰ বাবে ৯০০ কোটি টকা ধাৰ্য কৰা হৈছে বুলিও তেওঁ কয়। কেইখনমান চাহ বাগিছাত স্থাপন হ'বলগীয়া মুঠ ১০খন মহাবিদ্যালয়ৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে প্ৰস্তাৱিত মহাবিদ্যালয়সমূহত একমাত্ৰ চাহ জনগোষ্ঠী আৰু আদিবাসী সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীয়েহে অধ্যয়ন কৰিব পাৰিব।

oooooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি বৰাক উপত্যকা উপত্যকাত উপস্থিত হৈ শিলান্যাস, ভূমি পূজনকে ধৰি কেইবাটাও কাৰ্যসূচীত অংশ লোৱাৰ লগতে ঢলাই সমষ্টিৰ অন্তৰ্গত বৰজালেঙাত আয়োজিত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে কাছাৰ জিলাৰ লক্ষীপুৰৰ শিলঘাটত বৰাক নৈৰ ওপৰত প্ৰস্তাৱিত দলঙৰ আধাৰশিলা স্থাপন কৰে। প্ৰায় ৮৭ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰিবলগীয়া ৩৪০ মিটাৰ দৈৰ্ঘ্যৰ এই দলংখনে জিলাখনৰ যোগাযোগ আৰু পৰিবহন ব্যৱস্থাক অন্য মাত্ৰা প্ৰদান কৰিব বুলি আশা কৰা হৈছে। এই দলংখনৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈ উঠিলে বৰাক নদীৰ এটা পাৰে চটামামদা-সোণাই পথ হৈ সোণাই আৰু লক্ষিপুৰ টাউন তথা আনটো পাৰে সোণাই-বাছকান্দি পথ হৈ শিলচৰ টাউনৰ মাজত পথ সংযোগ স্থাপন কৰিব। তদুপৰি এই দলংখনে ৰূপায়বালি, ছিঙাৰবন্দ, বিন্নাকান্দি, চটামামদা, গোবিন্দপুৰ, আলগাপুৰ আৰু বাগপুৰৰ পৰা শিলচৰ টাউনলৈ প্ৰায় ২৫ কিলোমিটাৰ দূৰত্ব হ্ৰাস পাব।

মুখ্যমন্ত্ৰীয়ে লগতে ঢলাইত আদৰ্শ স্নাতক মহাবিদ্যালয়ৰ ভূমি পূজন কৰাৰ লগতে কেইবাটাও প্ৰকল্পৰ শুভাৰম্ভ কৰে। উল্লেখযোগ্য সাত হাজাৰ ৮৬১ বৰ্গমিটাৰ এলেকা সামৰি নিৰ্মাণ কৰিবলগীয়া এই আদৰ্শ স্নাতক মহাবিদ্যালয়খনত ৩৩ টা শ্ৰেণীকোঠা আৰু পাঁচটা প্ৰয়োগশালা সংযোজন কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে ৩৫ কোটি টকা ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া মহাবিদ্যালয়খন ৰাজ্যত বিশ্বমানৰ শিক্ষা প্ৰতিষ্ঠান স্থাপনৰ পদক্ষেপৰ অংশ বুলি উল্লেখ কৰে। তেওঁ কয় যে, ২০২৬ চনৰ ভিতৰত মহাবিদ্যালয়খনৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিব। কলা শাখাত পাঠদান হ'বলগীয়া এই মহাবিদ্যালয়খনে বৰাক উপত্যকাৰ শিক্ষা ব্যৱস্থাত নতুন দিগন্তৰ সূচনা কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। ঢলাইত আয়োজিত সভাত মুখ্যমন্ত্ৰীয়ে ঢলাই সমষ্টিৰ বাবে ১৫ হাজাৰ পৰিয়ালক নতুনকৈ ৰেচন কাৰ্ড প্ৰদানৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব বুলি উল্লেখ কৰে। তদুপৰি ঢলাই প্ৰাথমিক চিকিৎসালয়ত ৫০খন বিছনাযুক্ত চিকিৎসালয় হিচাপে নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে পাঁচ কোটি টকা আগবঢ়াব বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে, অসম বিশ্ববিদ্যালয় হৈ শিলচৰ বাইপাছটো দুই লেন কৰাৰ লগতে আমৰা ঘাটত ১৪০ মিটাৰ দৈৰ্ঘ্যৰ দলং স্থাপন কৰা হ'ব। তেওঁ পালমঘাটত মিনি ষ্টেডিয়াম নিৰ্মাণৰ বাবে ১০ কোটি টকা মঞ্জুৰৰ কথাও ঘোষণা কৰে। পূৰ্বে প্ৰদান কৰা ৪৩ খন আদৰ্শ অংগনবাড়ী কেন্দ্ৰৰ প্ৰতিটোতে ২৫ লাখ টকাকৈ প্ৰদান কৰি শিলান্যাস কৰা হৈছে বুলিও তেওঁ কয়। আনহাতে ১১খন চাহবাগিচাত পথ নিৰ্মাণৰ বাবে এক কোটি টকাকৈ প্ৰদান কৰাৰ লগতে প্ৰতিখন চাহ বাগিচাত এটাকৈ জগন্নাথ মন্দিৰ স্থাপন কৰাৰ পদক্ষেপ হাতত লৈছে বুলিও তেওঁ জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰী দুৱাৰবন্দত চিকিৎসালয় নিৰ্মাণৰ কথা ঘোষণা কৰাৰ লগত ভূবন তীৰ্থৰ পথ নিৰ্মাণ শীঘ্ৰে সম্পূৰ্ণ কৰাৰ প্ৰচেষ্টা গ্ৰহণ কৰা হ'ব বুলিও কয়।

ড° শৰ্মাই কালি টাটা ন্যাসৰ সৌজন্যত শিলচৰত স্থাপন হোৱা কাছাৰ কেন্সাৰ কেয়াৰ হাস্পতালখন পৰিদৰ্শন কৰি তাত থকা বিভিন্ন ব্যৱস্থাৰ বুজ লয়। চিকিৎসালয়খনৰ সম্প্ৰসাৰণ আৰু অধিক উন্নতিকল্পে চৰকাৰে কেনে ধৰণৰ সহায়-সহযোগিতা আগবঢ়াব পাৰে সেই সম্পৰ্কেও মুখ্যমন্ত্ৰীয়ে পদ্মশ্ৰী ডাঃ ৰবি কান্নানৰ সৈতে মত বিনিময় কৰে। তেওঁ লগতে অসম বিশ্ববিদ্যালয়ত উপস্থিত হৈ বিশ্ববিদ্যালয়খন পৰিদৰ্শন কৰে।

কালিৰ এই কাৰ্যসূচীত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, সাংসদদ্বয় পৰিমল শুক্লবৈদ্য, কৃপানাথ মাল্লাৰ লগতে বিধায়ক আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দিনজোৰা ভ্ৰমণসূচীৰে ইউক্ৰেইনত উপস্থিত হ'ব। ভ্ৰমণকালক শ্ৰী মোদীয়ে দেশখনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলনস্কীৰ সৈতে আছুতীয়া আৰু প্ৰতিনিধি পৰ্যায়ৰ আলোচনাত মিলিত হ'ব। এই বৈঠকত ইউক্ৰেইনৰ সংঘৰ্ষৰ সমাধান সূত্ৰ উলিওৱাৰ উপায়কলৈ আলোচনা হ'ব। সংঘৰ্ষজৰ্জৰ দেশখনৰ ভ্ৰমণৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, ভাৰতে যুদ্ধৰ জৰিয়তে কোনো সমস্যাৰ সমাধান কৰিব পৰা নাযায় বুলি দৃঢ়তাৰে বিশ্বাস কৰে। তেওঁ লগতে ভাৰত অঞ্চলটোলৈ শান্তি-সুস্থিৰতা ঘূৰাই অনাৰ বাবে সম্ভাব্য সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়বলৈ সাজু বুলি মন্তব্য কৰে। পোলেণ্ড ভ্ৰমণ সামৰি প্ৰধানমন্ত্ৰী মোদী কটকটীয়া সুৰক্ষাৰ মাজত ৰে'লেৰে ইউক্ৰেইনৰ ৰাজধানী কীভ অভিমুখে ৰাওনা হৈছে। তেওঁ প্ৰায় ১০ ঘণ্টা জোৰা যাত্ৰাৰ অন্তত কীভত উপস্থিত হ'ব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অসমৰ দুগৰাকী বিজ্ঞানী ড০ পূৰবী শইকীয়া আৰু ডং বাপ্পী পালক শান্তিস্বৰূপ ভাটনাগৰ বঁটা প্ৰদান কৰে। কালি ৰাষ্ট্ৰপতি ভৱনৰ গণতন্ত্ৰ মণ্ডপত অনুষ্ঠিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাষ্ট্ৰপতিয়ে অসমীয়া বিজ্ঞানী দুগৰাকীৰ হাতত এই সন্মানীয় বঁটা তুলি দিয়ে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় বিজ্ঞান পুৰস্কাৰৰ প্ৰথম সংস্কৰণৰ চাৰিটা শাখা - বিজ্ঞান ৰত্ন, বিজ্ঞানশ্ৰী, বিজ্ঞান যুৱ আৰু বিজ্ঞান দলৰ বিশিষ্ট বিজ্ঞানীসকলক ৩৩ টা বঁটা প্ৰদান কৰা হয়। অসমবাসীলৈ গৌৰৱ কঢ়িয়াই অনা বিজ্ঞানী ডং পূৰৱী শইকীয়াৰ জন্মস্থান লখিমপুৰৰ চিয়াজুলি বাগান গাঁও। সম্প্ৰতি তেওঁ বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞানৰ সহযোগী অধ্যাপক হিচাপে কৰ্মৰত। আনহাতে, লংকা নিবাসী ডং বাপ্পী পালে গুজৰাটৰ ফৰেণচিক্ চায়েন্স বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক হিচাপে সেৱা আগবঢ়াই আছে।

oooooooo

সমগ্ৰ দেশত আজি প্ৰথম ৰাষ্ট্ৰীয় মহাকাশ দিৱস পালন কৰা হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীৰ ভাৰত মণ্ডপমত হবলগীয়া এই দিৱসৰ মূল অনুষ্ঠান মুকলি কৰিব। এইবেলি এই দিৱসৰ মূল বিষয়বস্তু হৈছে Touching Lives while Touching the Moon: India's Space Saga অৰ্থাৎ চন্দ্ৰপৃষ্ঠৰ লগতে জীৱনকো স্পৰ্শ কৰা ঃ ভাৰতৰ মহাকাশ যাত্ৰা। এই বিষয়বস্তুৱে সমাজ আৰু প্ৰযুক্তিৰ ওপৰত মহাকাশ অন্বেষণৰ গভীৰ প্ৰভাৱক প্ৰতিফলিত কৰিছে। ৰাষ্ট্ৰীয় মহাকাশ দিৱস উপলক্ষে ৰাষ্ট্ৰপতিয়ে ৰ'বটিক্স প্ৰতিযোগিতা আৰু ভাৰতীয় মহাকাশ হেকাথনৰ বিজয়ীসকলক সন্মানিত কৰিব। যোৱা বছৰ আজিৰ দিনটোতে চন্দ্ৰযান-৩ অভিযানৰ বিক্ৰম নামৰ লেণ্ডাৰখনে চন্দ্ৰপৃষ্ঠত নিৰাপদ আৰু মসৃণ অৱতৰণ কৰিছিল। এই সাফল্যৰ জৰিয়তে ভাৰত চন্দ্ৰপৃষ্ঠত অৱতৰণ কৰা বিশ্বৰ চতুৰ্থখন আৰু চন্দ্ৰপৃষ্ঠৰ দক্ষিণ মেৰুত অৱতৰণ কৰা প্ৰথমখন ৰাষ্ট্ৰৰূপে পৰিগণিত হৈছে।

ইয়াৰ পাছতে চন্দ্ৰযান-৩ অভিযানৰ লেণ্ডাৰ যানখনে অৱতৰণ কৰা চন্দ্ৰপৃষ্ঠৰ ঠাইখিনি শিৱ শক্তি পইণ্ট নামেৰে নামকৰণ কৰা হৈছিল আৰু ২৩ আগষ্টৰ দিনটো ৰাষ্ট্ৰীয় মহাকাশ দিৱস হিচাপে ঘোষণা কৰা হৈছিল। ৰাষ্ট্ৰীয় মহাকাশ দিৱসে মহাকাশ অন্বেষণত লাভ কৰা অসাধাৰণ সাফল্যক স্বীকৃতি প্ৰদান কৰে আৰু মহাকাশ প্ৰযুক্তিৰ অগ্ৰগতিত আলোকপাত কৰে। ভাৰতে ১৯৬০ৰ দশকত মহাকাশ গৱেষণা আৰম্ভ কৰিছিল আৰু তেতিয়াৰে পৰা প্ৰযুক্তিৰ বিকাশেৰে ক্ষেত্ৰখনত যথেষ্ট আগ্ৰগতি লাভ কৰিছে।

ৰাষ্ট্ৰীয় মহাকাশ দিৱস উপলক্ষে আজি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ছেন্‌ট্ৰেল ব্যুৰ' অৱ কমিউনিকেচনৰ উদ্যোগত খানাপাৰাৰ আঞ্চলিক বিজ্ঞান কেন্দ্ৰত আয়োজিত তিনিদিনীয়া মাল্টিমিডিয়াৰ প্ৰদৰ্শনীখন বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্তই উদ্বোধন কৰিব।

ooooo

অসম প্ৰকাশন পৰিষদে উচ্চ শিক্ষা গ্ৰহণ কৰি থকা ছাত্ৰ-ছাত্ৰীসকলক গ্ৰন্থ অধ্যয়নৰ বাবে উৎসাহিত কৰিবলৈ ৰাজ্যৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহত পৰ্যায়ক্ৰমে গ্ৰন্থমেলাৰ আয়োজন কৰাৰ সিদ্ধান্ত লৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পৰামৰ্শ মৰ্মে তথা শিক্ষামন্ত্ৰী ৰণোজ পেগুৰ নেতৃত্বত ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশৰ লক্ষ্যৰে পৰিষদে এই পদক্ষেপ লৈছে। এই সন্দৰ্ভত পৰিষদৰ সচিব প্ৰমোদ কলিতাই প্ৰকাশ কৰা মতে এইলানি গ্ৰন্থমেলাৰ ভিতৰত প্ৰথমখন গ্ৰন্থমেলা বৰপেটা মহাবিদ্যালয়ত অনুষ্ঠিত হ'ব। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° বিৰিঞ্চি কুমাৰ দাসৰ আমন্ত্ৰণ মৰ্মে অহা ২৭ৰ পৰা ২৯ আগষ্টলৈ এই গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। গ্ৰন্থমেলাৰ সৈতে সংগতি ৰাখি ২৭ আগষ্টত বৰপেটা মহাবিদ্যালয় চৌহদত উদ্বোধনী অনুষ্ঠান আৰু সাহিত্য আলচৰ আয়োজন কৰা হৈছে।

০০০০০০০০

অসম শক্তি বিতৰণ কোম্পানী লিমিটেড, যোৰহাটৰ উদ্যোগত যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকা গৃহ প্ৰেক্ষাগৃহৰ সভাকক্ষত প্ৰধানমন্ত্ৰী সূৰ্যঘৰঃ বিনামূলীয়া বিদ্যুৎ আঁচনিৰ প্ৰসাৰ আৰু প্ৰচাৰৰ উদ্দেশ্যে এখন সজাগতা সভা অনুষ্ঠিত হয়। এই আঁচনিৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ লগতে ৰাজ্য চৰকাৰে ৰুফটপ সৌৰ শক্তি স্থাপনৰ সৰহভাগ ব্যয় বহন কৰিব। আঁচনিখনৰ লক্ষ্য হৈছে – প্ৰতিমাহে ৩০০ ইউনিট পৰ্যন্ত বিনামূলীয়া বিদ্যুৎ যোগান ধৰি ১ কোটি পৰিয়ালৰ ঘৰ পোহৰাই তোলা। সভাত জিলা আয়ুক্ত, যোৰহাট বৈদ্যুতিক চক্ৰৰ মুখ্য কাৰ্যবাহী বিষয়াই ভাষণ প্ৰসংগত এই আঁচনিখনৰ সা-সুবিধা সম্পৰ্কে ৰাইজক সবিস্তাৰে জনায়।

০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ নাট শাখাৰ কণ্ঠস্বৰ পৰীক্ষা অৰ্থাৎ অডিচনৰ বাবে নিৰ্দিষ্ট কৰা দিনৰ সালসলনি ঘটোৱা হৈছে। নাট শাখাৰ পৰা জনোৱা মতে অনিবাৰ্য্য কাৰণবশতঃ পূৰ্ব ঘোষিত কণ্ঠস্বৰ পৰীক্ষাৰ সূচী নতুনকৈ ঘোষণা কৰা হৈছে। নতুন তাৰিখ অনুসৰি অহা ৩ ছেপ্তেম্বৰৰ পৰা ২০ ছেপ্তেম্বৰলৈকে এই অ'ডিচন সম্পন্ন হ'ব। নতুনকৈ আবেদন কৰা শিশু শিল্পী আৰু বি-গ্ৰেডৰ উপৰি বি-হাইগ্ৰেডৰ বাবেও একেলগে অডিচন সম্পন্ন হ'ব। প্ৰাৰ্থীসকললৈ কণ্ঠস্বৰ পৰীক্ষাৰ প্ৰৱেশ পত্ৰ ডাক যোগে পঠিওৱা হ'ব আৰু প্ৰত্যেকৰে ম'বাইলত অডিচনৰ তাৰিখ আৰু সময় সম্পৰ্কে বাৰ্তা প্ৰেৰণ কৰা হ'ব। যদি আবেদন কৰা কোনো প্ৰাৰ্থীয়ে এই দুয়োটা মাধ্যমৰ এটাৰ জৰিয়তেও নিজৰ কণ্ঠস্বৰ পৰীক্ষাৰ দিন-সময় সম্পৰ্কে অৱগত নহয় তেন্তে তেওঁলোকে অহা ২০ আগষ্টৰ পাছত ৯৪০১০-৮৩০১৮ নম্বৰত হোৱাটছ-এপ যোগে যোগাযোগ কৰিব পাৰিব। পৰীক্ষাত উত্তীৰ্ণ হৈ কেন্দ্ৰটোৰ নাট শাখাৰ অভিনয় শিল্পীৰ স্বীকৃতি পোৱাসকলৰ তালিকা ২৪ ছেপ্তেম্বৰৰ বিয়লি ৩ বজাত প্ৰকাশ কৰা হ'ব।

০০০০০০০০

পেৰিছ অলিম্পিকত ৰূপৰ পদক বিজেতা নীৰজ চোপ্ৰাই চুইজাৰলেণ্ডত অনুষ্ঠিত লুজান ডায়মণ্ড লীগ প্ৰতিযোগিতাৰ পুৰুষৰ জেভলীন থ্ৰোত দ্বিতীয় স্থান দখল কৰিছে। নীৰজে চলিত বৰ্ষৰ সৰ্বশ্ৰেষ্ঠ ৮৯ দশমিক ৪-৯ মিটাৰলৈ জেভলীন দলিয়াই এই কৃতিত্ব অৰ্জন কৰে। পিটাৰ্ছ এণ্ডাৰছনে ৯০ দশমিক ৬-১ মিটাৰলৈ জেভলীন দলিয়াই প্ৰথম স্থান দখল কৰে। জাৰ্মানীৰ জুলিয়ান ৱেবাৰে ৮৭ দশমিক ০-৮ মিটাৰৰ প্ৰদৰ্শনেৰে তৃতীয় স্থানত থাকে।

০০০০০০০০

গুৱাহাটী মহানগৰীত কাঠফুলাৰ দৰে গঢ়ি উঠিছে ফাষ্টফুডৰ ব্যৱসায়। পদপথ দখল কৰি বহু লোকে যতে-ততে নিৰ্বিঘ্নে ব্যৱসায় আৰম্ভ কৰিছে। যাৰ ফলত ঢাক খাইছে সুধাকণ্ঠ, ৰাধাগোবিন্দ বৰুৱাৰ প্ৰতিমূৰ্তি। এই বাতৰিটো দৈনিক অসম কাকতে অবৈধ বিপনী, শ্ৰীহীন দীঘলীপুখুৰী শিৰোনামেৰে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমৰ চাহ বাগিচাৰ শ্ৰমিকক ভূমিৰ মালিকিস্বত্ব অধিকাৰ প্ৰদানৰ পৰিকল্পনাৰ কথা ঘোষণা কৰাৰ বাতৰিটো দি আছাম ট্ৰিবিউন কাকতে Plan to Provide Land Ownership Rights to Tea Garden workers শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰিকে Dispur Decides to Give Land Rights to Labours in TE Line শিৰোনামেৰে দ্যা ছেণ্টিনেল কাকতে প্ৰকাশ কৰিছে।

শিৱসাগৰ ঘটনাৰ বিক্ষোভ আৰু উত্তেজনাৰ ওৰ পৰাৰ পাছতে তিনিচুকীয়াতো অনুৰূপ ঘটনা সংঘটিত হৈছে। বহিৰাগতই মূৰ ফালিলে অসমীয়া যুৱক শিৰোনামেৰে অসমীয়া প্ৰতিদিন কাকতে এই বাতৰিটো প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। একেটা বাতৰিকে আমাৰ অসম কাকতে এইবাৰ তিনিচুকীয়াত শিৱসাগৰ কাণ্ড ঃ উত্তপ্ত পৰিস্থিতি শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

বিটিআৰত বৃহৎ শিক্ষক নিযুক্তি সমাৰেশ। মেধাৰ ভিত্তিত নিযুক্তি দিয়াৰ দাবী প্ৰমোদ বড়োৰ এই শিৰোনামেৰে অসমীয়া খবৰ কাকতে বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

জনজাতিকৰণৰ দাবীত দীৰ্ঘ দিনৰ বিৰতিত পুনৰ ছয় জনগোষ্ঠী ঐক্যমঞ্চই ধাৰাবাহিক কাৰ্যসূচী গ্ৰহণ কৰিছে। এই বাতৰিটো দৈনিক অগ্ৰদূত কাকতে এইবাৰ হয় গুৱাহাটী নহয় ৰঙা মাটি শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ধলাই উপ-নিৰ্বাচনৰ পূৰ্বে মুখ্যমন্ত্ৰীৰ তিনিদিনীয়া বৰাক ভ্ৰমণৰ বাতৰিটো শিলঘাটত ৮৭ কোটি ব্যয় সাপেক্ষে আৰ চি চি দলঙৰ শিলান্যাস শিৰোনামেৰে নিয়মীয়া বাৰ্তা কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – ঠিকাদাৰৰ পৰিৱৰ্তে মথাউৰিৰ সুৰক্ষাৰ দায়িত্ব গাঁওৰক্ষীলৈ। ডিমাহাচাওত চূনশিল খননৰ তীব্ৰ বিৰোধিতাত খবৰ মেঘালয় চৰকাৰ। দুলুং বনাঞ্চলত দুটা বোমা উদ্ধাৰ। চাৰি জিলাত মণিপুৰী হ'ব সহযোগী ভাষা ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooooo

সমাপ্ত